# টেট্   উত্তীৰ্ণ শিক্ষক পৰিয়াল কল্যাণ মঞ্চ, অসম

# সংবিধান

পাতনি :

যিকোনো এটা পৰিয়ালৰ যিকোনো এজন ব্যক্তিয়ে যেতিয়া এটা চাকৰি লাভ কৰে তেতিয়া নিৰ্দিষ্ট ব্যক্তিজনৰ লগতে সেই পৰিয়ালটোৱেও এক নিৰাপত্তা লাভ কৰে। ২০১২ চনৰপৰা পৰৱৰ্তী সময়ত যিসকল প্ৰাৰ্থীয়ে টেট উত্তীৰ্ণ হৈ বিভিন্ন জিলাত ঠিকাভিত্তিক শিক্ষক হিচাপে কৰ্মৰত হৈ আছিল তেওঁলোকৰ বাবেও এই বৃত্তিটো হৈছে আশীৰ্বাদ স্বৰূপ। অসমৰ চুকে কোণে থকা সকলো টেট উত্তীৰ্ণ শিক্ষক শিক্ষয়িত্ৰীয়ে স্থানীয় সমাজখনৰ লগত নিজকে একাত্ম কৰি যি এক সেৱাৰ মনোভাৱ আৰু নিষ্ঠাৰে পাঠদান আগবঢ়াই বিদ্যালয়সমূহত এক নতুন পৰিৱেশ সৃষ্টি কৰিবলৈ সক্ষম হ'ল সেইবিষয়ে সচেতন প্ৰত্যেকজন নাগৰিকে স্বীকাৰ কৰে। সময় আৰু দিন বাগৰাৰ লগে লগে বহুতো ঠিকাভিত্তিক শিক্ষক শিক্ষয়িত্ৰী নিয়মীয়া পদত নিযুক্তি লাভ কৰে যদিও প্ৰায় ৪০০০০ শিক্ষক বৰ্তমানো ঠিকাভিত্তিক হিচাপে কৰ্মৰত। এই শিক্ষকসকলক চৰকাৰে বিভিন্ন সময়ত নিয়মীয়াসকলৰ সমহাৰত দৰমহা আৰু অন্যান্য সা-সুবিধাসমূহ প্ৰদানৰ প্ৰতিশ্ৰুতি দিছে যদিও কাৰ্যক্ষেত্ৰত সেয়া ৰূপায়ণ হোৱা নাই।

উল্লেখযোগ্য যে, বিগত বছৰকেইটাত আমাৰ মাজৰ কেইবাজনো শিক্ষক-শিক্ষয়িত্ৰীক দূৰ্ভাগ্যবশতঃ আমাৰ মাজৰপৰা হেৰুৱাইছোঁ। তেওঁলোকৰ মৃত্যুৰ পাছত আমি সামাজিক মাধ্যমত খবৰটো দেখি বা শুনি তেখেতৰ আত্মাৰ সদগতি কামনা কৰিছোঁ। কিন্তু সেই নিৰ্দিষ্ট শিক্ষকজনৰ মৃত্যুৰ পাছত তেওঁৰ পৰিয়ালটো কি পৰিস্থিতিৰ মাজত আছে বা কেনেদৰে জীৱন নিৰ্বাহ কৰিছে আমি অধিকাংশই নাজানোঁ। আমাৰ অধিকাংশ সতীৰ্থই পৰিয়ালটোৰ একমাত্ৰ উপাৰ্জনকাৰী । তেনে ক্ষেত্ৰত পৰিয়ালটোৰ উপাৰ্জনকাৰীজন হঠাৎ নাইকিয়া হৈ গ'লে কি আলাই- আথানিৰ সৃষ্টি হ'ব সেয়া সহজেই অনুমেয়। সেই ভুক্তভোগী পৰিয়ালটোক সমবেদনা জ্ঞাপন কৰাটো নিশ্চয় আমাৰ দায়িত্ব। যিহেতু আমি মৃত্যুকালীন সা-সুবিধাখিনি এতিয়াও লাভ কৰা নাই গতিকে ভৱিষ্যতে দূৰ্ভাগ্যবশতঃ আপোনাৰ বা মোৰ পৰিয়ালটোও এনে পৰিস্থিতিৰ সন্মুখীন হয়, আমি কেৱল RIP লিখি সমবেদনা জ্ঞাপন কৰাৰ লগতে পৰিয়ালটোক কিবা আৰ্থিক সকাহ দিব পৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰো নেকি তাৰ বিষয়ে হোজাই জিলাৰ কেইজনমান শিক্ষকে আলোচনা কৰিছিলোঁ। বিজিত চুতীয়া, প্ৰকাশ সিংহ, অৰুণাভ ভূঞা, পাৰ্থপ্ৰতিম কোঁৱৰ ছাৰৰ মাজত এই বিষয়ে আলোচনা কৰা হৈছিল। আলোচনা অনুসৰি আমাৰ ৪০০০০ শিক্ষকৰ ২০০০০ শিক্ষকেও যদি এবছৰত ১০০ টকাকৈ নিৰ্দিষ্ট বেংক একাউন্টত সাহাৰ্য পুঁজি হিচাপে জমা কৰে তেতিয়া বছেৰেকত ২০ লাখ টকা জমা হ'ব। সেই বৰ্ষটোত যদি দূৰ্ভাগ্যবশতঃ ৫ জন সতীৰ্থ আমাৰ মাজৰপৰা হেৰাই যায় তেওঁলোকৰ পৰিয়ালক ৪ লাখকৈ সাহাৰ্য দিব পৰা যাব। সেই মহান পদক্ষেপৰ প্ৰতি সহাঁৰি জনাই পৰৱৰ্তী সময়ত চিৰঞ্জীৎ গগৈ, ৰঞ্জিত গগৈ, অনুপ গোৱালা, ভবেন খনিকৰ, মৈত্ৰীমালা চাংমাই, দেবযানী দত্ত, নৱনীতা কলিতা, পৰাণ কলিতা, ৰূপাঞ্জলী বৰুৱা বৰদলৈ, সত্যজিৎ কলিতাই সহযোগিতা আগবঢ়াই। ইয়াৰোপৰি বিভিন্ন সামাজিক মাধ্যমত বিভিন্ন জিলাৰ শিক্ষকসকলৰ দিহা পৰামৰ্শৰ মাজেৰে উক্ত পদক্ষেপটোক বাস্তৱ ৰূপ দিবলৈ এখন সংবিধানৰ খচৰা প্ৰস্তুত কৰা হয়। ইয়াৰ পৰৱৰ্তী সময়ত ২৬/০৬/২০২২ তাৰিখে নগাঁও জিলাৰ Govt আৰবান হাইস্কুলত এখন সাধাৰণ সভা আহ্বান কৰা হয় আৰু উক্ত সভাতেই সকলোৱে উপস্থিতিত সংবিধান পৰ্যালোচনা আৰু গ্ৰহণ কৰা

হয়। পৰৱৰ্তী সময়ত ইয়াৰ সংশোধন কৰি website যোগে কাম কৰাৰ লগতে বাৰ্ষিক বৰঙণি কিছু সলনি কৰা হয়।

টেট উত্তীৰ্ণ শিক্ষক পৰিয়াল কল্যাণ মঞ্চৰ

1) লক্ষ্য আৰু উদ্দেশ্য: আমাৰ মাজৰ কোনো টেট উত্তীৰ্ণ ঠিকাভিত্তিক শিক্ষকৰ বিয়োগ হয় তেওঁৰ পৰিয়ালক অৰ্থনৈতিকভাৱে অলপ সকাহ প্ৰদান কৰি এককালীন সাহায্য প্ৰদান কৰাই এই মঞ্চৰ মূল লক্ষ্য আৰু উদ্দেশ্য। প্ৰতি বছৰে স্ব-ইচ্ছাৰে এই মঞ্চৰ সদস্য ভৰ্তি হৈ যিসকল শিক্ষক-শিক্ষয়িত্ৰীয়ে বৰঙণি জমা কৰিব সেই বৰঙণি সেই বৰ্ষত আমাৰ মাজৰ পৰা হেৰাই যোৱা শিক্ষক পৰিয়ালৰ পৰা তেখেতে সদস্যভৰ্তিৰ সময়ত প্ৰদান কৰা উত্তৰাধিকাৰীক জুলাই মাহত প্ৰদান কৰা হ'ব। মুঠ জমা পুঁজি সেই বৰ্ষত হেৰাইযোৱা শিক্ষক সকলৰ মাজত ভাগ কৰি দিয়া হ'ব। প্ৰতিবছৰে জমা হোৱা টকা সেই বৰ্ষত মৃত্যু হোৱা শিক্ষকৰ পৰিয়ালক বিতৰণ কৰি দিয়া হ'ব। কোনো বৰ্ষত যদি এজনো শিক্ষকৰ মৃত্যু নহয় তেন্তে সেই পুঁজি পৰৱৰ্তী বৰ্ষৰ বাবে জমা হৈ থাকিব।

সদস্যপদ গ্ৰহণৰ নিয়মাৱলীসমূহঃ

১) *সদস্যপদ গ্ৰহণৰ প্ৰক্ৰিয়া প্ৰতিবছৰে জুলাই মাহৰ ১ তাৰিখৰ পৰা ডিচেম্বৰ মাহৰ ৩১ তাৰিখলৈকে থাকিব*।

২) সদস্যপদ গ্ৰহণ আমাৰ ৱেবচাইট যোগে প্ৰ-পত্ৰ পূৰণ কৰি সহজভাৱে কৰিব পাৰিব।

৩) Session টোৰ যিকোনো সময়ত (জুলাই – ডিচেম্বৰ) সদস্য পদ ললেও Session টো শেষ হোৱাৰ লগে লগে (পৰৱৰ্তী বৰ্ষৰ জুন মাহত) সদস্যপদৰ ম্যাদ শেষ হ'ব।

৪) ১ জানুৱাৰীৰ পৰা সদস্যপদ গ্ৰহণৰ প্ৰক্ৰিয়া বন্ধ হ'ব।

৫) ৩০ জুন তাৰিখে ৰাতি ১২:০০ বজাৰ লগে লগে আপোনাৰ সদস্যপদৰ ম্যাদ শেষ হ'ব।

৬) সদস্যপদ শেষ হৈ যোৱাৰ লগে লগে আপোনাৰ Profile Deactivate হৈ পৰিব।

৭) আমাৰ সদস্যপদ বাহাল ৰাখিবলৈ ৩০ জুন তাৰিখে Profile Deactive হোৱাৰ আগত Renew কৰিব লাগিব।

৮) Profile Deactivate হোৱাৰ পাছত পুনৰ পোনপটীয়াকৈ Renew কৰিব নোৱাৰিব। এইক্ষেত্ৰত পুনৰ নতুনকৈ সদস্যপদ লব লাগিব।

৯) সদস্য সকলে কেৱল PKM ৰ নিৰ্দিষ্ট website যোগেদিহে সদস্যপদ গ্ৰহণ কৰিব লাগিব। অন্য ক্ষেত্ৰত ন্যাস দায়বদ্ধ নহ'ব।

১০) সদস্যপদ গ্ৰহণৰ বৰঙণি 240/- টকা PKM-ৰ কেন্দ্ৰীয় সমিতিৰ বেংক একাউন্টত জমা কৰিব লাগিব।

১১) সদস্য পদ লোৱাৰ আগত PKM ৰ সংবিধানখন পঢ়ি চাব।

১২) সময়ে সময়ে আপোনালোকক আমাৰ তৰফৰপৰা FB গ্ৰুপ, জিলা Whatsapp গ্ৰুপ, আৰু msg আকাৰে বিভিন্ন জাননী সমূহ আগতীয়াকৈ দি থকা হ'ব।

১৩) সদস্যপদ গ্ৰহণ কৰাৰ পাছত ৱেবচাইটযোগে I card ডাউনলোড কৰিব পাৰিব।

১৪) আপোনালোকে আপোনালোকৰ Profile ৰ তথ্য Edit কৰিব পাৰিব আৰু প্ৰয়োজনত I card পুনৰ ডাউনলোড কৰিব পাৰিব।

2) সাহাৰ্য লাভৰ অৰ্হতা:

ক) শিক্ষকজন এই মঞ্চৰ সদস্য হ'ব লাগিব।

খ) শিক্ষকজনৰ মৃত্যু হলে তেওঁ দি যোৱা উত্তৰাধিকাৰীক এই সাহাৰ্য প্ৰদান কৰা হ'ব। উত্তৰাধিকাৰীৰ অনুপস্থিতিত শিক্ষকজনে লিপিবদ্ধ কৰি যোৱা পৰিয়ালৰ ব্যক্তিসকলৰ হাতত এই সাহাৰ্য প্ৰদান কৰা হ'ব। পৰিয়ালৰ হাতত সাহাৰ্য অৰ্পণ কৰাৰ পিছত সমিতিৰ কোনো দায়বদ্ধতা নাথাকিব। ইয়াক পৰিয়ালৰ সদস্যৰ মাজত বিতৰণৰ ক্ষেত্ৰত পৰিয়ালে আলোচনাৰ মাজেৰে সিদ্ধান্ত গ্ৰহণ কৰিব।

গ) এই সাহাৰ্য তৎকালীনভাৱে ১৫০০০ দিয়া হয় আৰু পিছত জুলাই মাহত শ্ৰদ্ধাঞ্জলি অনুস্থানত নিয়ম অনুসৰি বাকী সাহাৰ্য দিয়া হয়। পিছত আৰু সাহাৰ্য দিয়া নহয়।যি বৰ্ষত শিক্ষকজনৰ মৃত্যু হয় সেই বৰ্ষত তেওঁ ইয়াৰ সদস্য হৈ থাকিব লাগিব।

ঘ) প্ৰতিবছৰে সদস্যপদ নৱীকৰণ কৰিব লাগিব। সদস্যপদৰ ম্যাদ পাৰ হলে এই সাহাৰ্য লাভ নকৰিব।

ঙ) উত্তৰাধিকাৰী জনে সাহাৰ্য লাভ কৰিবলৈ প্ৰয়োজনত শিক্ষকজনৰ লগত থকা সম্পৰ্কৰ চৰকাৰী ভাবে প্ৰদান কৰা প্ৰমাণপত্ৰ, ফটো পৰিচয়পত্ৰ দাখিল কৰিব লাগিব আৰু মূল প্ৰমাণ পত্ৰ লগত লৈ আহিব লাগিব। শিক্ষকজনৰ মৃত্যু হোৱা 30 দিনৰ অধিক হলে মৃত্যুৰ প্ৰমানপত্ৰ দাখিল কৰিব লাগিব।

সদস্যপদ নৱীকৰণৰ নিয়মাৱলীসমূহঃ

1)নৱীকৰণ প্ৰক্ৰিয়া প্ৰতিবছৰে মে' মাহৰ ১ তাৰিখৰ পৰা জুন মাহৰ 30 তাৰিখৰ ভিতৰত কৰা হ'ব*।

২) সদস্যপদ নৱীকৰণ আমাৰ ৱেবচাইট যোগে সহজভাৱে কৰিব পাৰিব।

৩) ১ জুলাইৰ পৰা নৱীকৰণ প্ৰক্ৰিয়া বন্ধ হ'ব। (কেৱল নতুন সদস্য ভৰ্তি প্ৰক্ৰিয়া আৰম্ভ হব।)

৪) ৩০ জুন তাৰিখে ৰাতি ১২:০০ বজাৰ লগে লগে আপোনাৰ সদস্যপদৰ ম্যাদ শেষ হৈ যোৱাৰ লগে লগে আপোনাৰ Profile Deactivate হৈ পৰিব।

৪) আমাৰ সদস্যপদ বাহাল ৰাখিবলৈ ৩০ জুন তাৰিখে  Profile Deactive হোৱাৰ আগত Renew কৰিব লাগিব।

৫) Profile Deactivate হোৱাৰ পাছত পুনৰ পোনপটীয়াকৈ Renew কৰিব নোৱাৰিব। এইক্ষেত্ৰত পুনৰ নতুনকৈ সদস্যপদ লব লাগিব।

৬) সদস্য সকলে কেৱল PKM ৰ নিদিষ্ট website যোগেদিহে renew কৰিব লাগিব। অন্য ক্ষেত্ৰত ন্যাস দায়বদ্ধ নহব।

৭) নৱীকৰণ বৰঙণি 240/- টকা PKM-ৰ কেন্দ্ৰীয় সমিতিৰ বেংক একাউন্টত জমা কৰিব লাগিব।

৮) সময়ে সময়ে আপোনালোকক আমাৰ তৰফৰপৰা FB গ্ৰুপ, জিলা Whatsapp গ্ৰুপ, আৰু msg আকাৰে বিভিন্ন জাননী সমূহ আগতীয়াকৈ দি থকা হ'ব।

৯) নৱীকৰণৰ সময়ত আপোনালোকে আপোনালোকৰ Profile ৰ তথ্য Edit কৰিব পাৰিব আৰু I card ও ডাউনলোড কৰিব পাৰিব।

3) মঞ্চ গঠন প্ৰক্ৰিয়া: ই এটা স্বেচ্ছাসেৱী মঞ্চ। ইয়াৰ লক্ষ্য আৰু উদ্দেশ্য বাস্তৱ কৰিবৰ বাবে তিনি তৰপীয়া ব্যৱস্থাৰে মঞ্চ গঠন কৰা হ'ব।

1) জিলা সমন্বয়ক: প্ৰতিখন জিলাত কমেও 5ৰ পৰা 10 জন জিলা সমন্বয়ক থাকিব। জিলাখনৰ যদি 10 তকৈ অধিক খণ্ড থাকে তেন্তে অতিৰিক্ত খণ্ডৰ কাম কৰিবলৈ 2 জনকৈ সমন্বয়ক লব পাৰিব। সমন্বয়ক সকলক ৰাজহুৱা সভাত নিৰ্বাচিত কৰা হ'ব। স্ব-ইচ্ছাৰে এই মঞ্চৰ হৈ কাম কৰিবলৈ ইচ্ছুক শিক্ষক সকলৰ মাজৰ পৰা প্ৰস্তাৱ আকাৰে নিৰ্বাচিত কৰিব। আগ্ৰহী ব্যক্তিক সভাপতি-সম্পাদকে আলোচনা ভিত্তিত দায়িত্ব দিব পাৰিব ।

2) প্ৰতিখন জিলাত এজন তত্বাৱধায়ক থাকিব। তেওঁৰ তত্বাৱধানত জিলাখনৰ কামবোৰ পৰিচালনা হ'ব। তত্বাৱধায়কজন প্ৰত্যক্ষভাৱে মূল সমিতিৰ সদস্য হ'ব। স্ব-ইচ্ছাৰে কাম কৰিবলৈ ইচ্ছুক শিক্ষক সকলৰ মাজৰ পৰা প্ৰস্তাৱ আকাৰে নিৰ্বাচন কৰা হ'ব।

3) মূল মঞ্চ: 15 জনৰ পৰা 31 জন সদস্যৰ এখন মূল মঞ্চ থাকিব। মূল মঞ্চৰ পদসমূহ এনে ধৰণৰ :

ৰাজ্যিক তত্বাৱধায়ক: ৩ জন

মুখপাত্ৰ : ৩ জন

i)সভাপতি

ii)কাৰ্যকৰী সভাপতি :

iii)উপসভাপতি : ৩জন

iv)যুটীয়া সম্পাদক

v)সহকাৰী সম্পাদক ৪জন

vi)বিত্ত সম্পাদক

vii)সাংগঠনিক সম্পাদক : ৫জন

Viii)প্ৰচাৰ সম্পাদক : ৫জন

ix)প্ৰতিখন জিলাৰ তত্বাৱধায়ক সকল ইয়াৰ কাৰ্যনিৰ্বাহক সদস্য হব।

হিচাব নিৰীক্ষক :৩ জন।

⁎কাৰ্যকাল:

ক) এই মঞ্চৰ কাৰ্যকাল ৩ বছৰ। প্ৰতি ৩ বছৰৰ মূৰে মূৰে পুনঃগঠন কৰা হ'ব। প্ৰথম বাৰ (২+৩) দুবছৰ অতিৰিক্ত সাংগঠনিক কামৰ বাবে ।

খ) বিশেষ পৰিস্থিতি সাপেক্ষে কাৰ্যনিৰ্বাহক সিদ্ধান্ত মৰ্মে ইয়াৰ সময় কম বা বৃদ্ধি কৰিব পাৰিব।

⁎মঞ্চ পুনঃগঠন প্ৰক্ৰিয়া :

ক) জিলা সমন্বয়ক হ'বৰ বাবে একেৰাহে ক্ৰমেও ৩ বছৰ ইয়াৰ সদস্য ভৰ্তি হ'ব লাগিব।

খ) জিলা তত্বাবধায়ক হ'বৰ বাবে পূৰ্বতে জিলা সমন্বয়ক হিচাবে কাম কৰাৰ অভিজ্ঞতা থাকিব লাগিব।

গ) মূল মঞ্চৰ সদস্য হ'বৰ বাবে জিলা তত্বাবধায়ক হিচাবে কাম কৰাৰ অভিজ্ঞতা থাকিব লাগিব।

ঘ) মূল মঞ্চৰ সভাপতি, যুটীয়া সম্পাদক, বিত্ত সম্পাদক হ'বৰ বাবে পূৰ্বতে মূল মঞ্চৰ সদস্য হিচাবে কাম কৰা অথবা জিলা তত্বাবধায়ক হিচাবে কাম কৰাৰ অভিজ্ঞতা থাকিব লাগিব। কমেও 5 বছৰ ধাৰাবাহিকভাৱে সদস্য হব লাগিব।

*জিলা সমন্বয়কৰ দায়িত্ব আৰু কাৰ্যাৱলী:

ক) নিজৰ জিলাৰ শিক্ষকসকলৰ সদস্যভৰ্তিৰ বাবে পদক্ষেপ লব লাগিব

খ) জিলাখনত কোনো সদস্য শিক্ষকৰ মৃত্যু হ'লে লগে লগে তত্বাৱধায়কৰ জৰিয়তে মূল মঞ্চক জনাব লাগিব। শিক্ষকজনৰ উত্তৰাধিকাৰীৰ সম্পূৰ্ণ তথ্য, শিক্ষকজনৰ সদস্যপদ আৰু উত্তৰাধিকাৰীৰ প্ৰমাণসহ মূল

মঞ্চৰ ওচৰত দাখিল কৰিব লাগিব। উত্তৰাধিকাৰীৰ অনুপস্থিতিত নিকটাত্মীয় সদস্যবৃন্দৰ তথ্য পৰিচয়পত্ৰসহ জমা দিব লাগিব। প্ৰয়োজনত নথিপত্ৰৰ ৩টাকৈ কপি লৈ এটা নিজৰ হাতত ৰাখি এটা ৰিচিভ কপি হিচাবে সদস্যজনক দি দিব লাগিব আৰু এটা তত্বাৱধায়কৰ হাতত জমা দিব লাগিব।

গ) উত্তৰাধিকাৰী আৰু নিকটাত্মীয় সকলৰ সকলো নথি-পত্ৰ সুৰক্ষিতভাৱে ৰাখিব লাগিব।

ঘ) জিলাৰ কাম কাজৰ বাবে লাভ কৰা খা-খৰছৰ হিচাপ জিলা তত্বাবধায়কক দিব লাগিব

ক্ষমতা আৰু দায়িত্ব অব্যাহতি /কৰ্তন:

ক) সমন্বয়কজনে ইচ্ছা কৰিলে নিজে দায়িত্বৰ পৰা অব্যাহতি লব পাৰিব। এই ক্ষেত্ৰত তেওঁ মূল মঞ্চৰ সভাপতিৰ ওচৰত নিৰ্দিষ্ট কাৰণ সহ লিখিতভাৱে জনাব লাগিব। মূল কাৰ্যনিৰ্বাহকৰ সিদ্ধান্তমৰ্মে অব্যাহতি দিয়া হব। অব্যাহতি লোৱা আগতে তেওঁ সকলো নথি-পত্ৰ, হিচাব তত্বাৱধায়কৰ হাতত দাখিল কৰিব লাগিব।

খ) জিলা তত্বাবধায়কজন সংবিধান বৰ্হিভূত কোনো কৰ্মত জড়িত হলে তেওঁৰ ওপৰত প্ৰমাণ সহ জিলা সমন্বয়কৰ সংখ্যাগৰিষ্ঠৰ সমৰ্থন লৈ অভিযোগ মূল মঞ্চক দাখিল কৰিব পাৰিব।

গ) সমন্বয়কজনে সংবিধান বৰ্হিভূত কোনো কৰ্ম কৰিলে জিলা তত্ত্বাৱধায়কে মূল মঞ্চৰ ওচৰত প্ৰমানসহ অভিযোগ দাখিল কৰিব পাৰিব আৰু অভিযোগ সঁচা প্ৰমাণ হলে মূল সমিতিৰ সিদ্ধান্ত মৰ্মে যিকোনো মুহূৰ্তত দায়িত্ব কৰ্তন কৰিব পাৰিব।

*জিলা তত্বাৱধায়কৰ দায়িত্ব আৰু কৰ্তব্য:

ক) প্ৰতিজন জিলা সমন্বয়কৰ অভিভাৱক হিচাবে কৰ্তব্য পালন কৰিব লাগিব।

খ) জিলাৰ কোনো সদস্যৰ মৃত্যু হ'লে সেই তথ্য মূল মঞ্চক অৱগত কৰিব লাগিব। উত্তৰাধিকাৰীৰ তথ্য প্ৰমাণ পত্ৰ সহ জমা দিব লাগিব।

উত্তৰাধিকাৰীৰ অনুপস্থিতিত নিকটাত্মীয় সদস্যসকলৰ তথ্য সংগ্ৰহ কৰি মূল মঞ্চক জমা দিব লাগিব। জিলা সমন্বয়কৰ হাতৰ পৰা নথি-পত্ৰৰ এটা কপি জমা লৈ নিজৰ হাতত ৰাখি সদস্য শিক্ষকৰ তথ্যসমূহ XL ফাইল বনাই কেন্দ্ৰীয় সভাপতি সম্পাদকৰ হাতত জমা দিব লাগিব।

গ) সকলো নথি-পত্ৰ সুৰক্ষিত কৰি ৰাখিব লাগিব

ঘ) জিলাৰ কাম-কাজৰ বাবে লাভ কৰা খা-খৰছৰ হিচাপ জিলা সমন্বয়কৰ পৰা লৈ মূল সমিতিক দিব লাগিব।

ক্ষমতা আৰু দায়িত্ব অব্যাহতি /কৰ্তন:

ক) তত্বাৱধায়কজনে ইচ্ছা কৰিলে মূল মঞ্চৰ ওচৰত লিখিত আবেদন প্ৰেৰণ কৰি দায়িত্বৰপৰা অব্যাহতি লব পাৰিব। অব্যাহতি লোৱা আগতে তেওঁ সকলো নথি-পত্ৰ, হিচাব মূল মঞ্চৰ ওচৰত দাখিল কৰিব লাগিব।

খ) সংবিধান বৰ্হিভূত কোনো কাম কৰিলে তেওঁক মূল মঞ্চই দায়িত্বৰ পৰা অব্যাহতি দিব পাৰিব। সকলো হিচাপ-নিকাচ, নথি-পত্ৰ মূল মঞ্চৰ ওচৰত জমা দিব লাগিব। অন্যথা দণ্ডনীয় হ'ব।

গ) মূল মঞ্চৰ কোনো নেতৃত্বই সংবিধান বৰ্হিভূত কৰ্ম কৰিলে তেওঁ প্ৰমাণ সহকাৰে দাখিল কৰি অনাস্থা আনিব পাৰিব। সংখ্যাগৰিষ্ঠতা লাভ কৰিলে মূল প্ৰতিনিধিজন পদবীৰ পৰা নিলম্বিত হ'ব আৰু নিলম্বন হোৱা প্ৰতিনিধিজনে সম্পূৰ্ণ হিচাপ-নিকাচ নথি-পত্ৰ মূল মঞ্চক জমা দিব লাগিব। অন্যথা আইনমতে দণ্ডনীয় হ'ব।

মূল মঞ্চৰ দায়িত্ব আৰু কাৰ্যাৱলী:

সকলোৰে উমৈহতীয়া দায়িত্ব আৰু কৰ্তব্য:

ক)কাৰ্যনিৰ্বাহক সভাত আলোচনা মৰ্মে গ্ৰহণ কৰা প্ৰতিটো কাৰ্য ৰূপায়ণৰ বাবে সকলো দায়বদ্ধ।

*ৰাজ্যিক তত্বাৱধায়কৰ দায়িত্ব আৰু কৰ্তব্য: মূল মঞ্চৰ অভিভাৱক হিচাবে তেওঁ সকলো দিশ চাব লাগিব আৰু পৰামৰ্শ প্ৰদান কৰিব লাগিব।

*সভাপতি:

ক) মঞ্চৰ প্ৰধান হিচাবে তেওঁ সকলোৰে লগত আলোচনা মৰ্মে সকলো বিষয়তে সিদ্ধান্ত গ্ৰহণ কৰিব লাগিব।

খ) সংবিধান বৰ্হিভূত কোনো কৰ্মত যদি কোনো সদস্য জড়িত হোৱাৰ অভিযোগ আহে তেন্তে সংখ্যাগৰিষ্ঠতা ভিত্তিত সিদ্ধান্ত গ্ৰহণ কৰি সদস্যজনক নিলম্বিত কৰিব পাৰিব।

গ) কোনো সদস্যই যদি একেবাৰে নিষ্ক্ৰিয় হয় তেন্তে তেওঁৰ লগত যোগাযোগ কৰি প্ৰয়োজনত তেওঁক অব্যাহতি দিব বা স্ব-ইচ্ছাই সেৱা আগবঢ়াবলৈ অহা শিক্ষক প্ৰতিনিধিক কাৰ্যনিৰ্বাহকৰ আলোচনা মৰ্মে দায়িত্ব দিব পাৰিব।

ঘ) মঞ্চৰ 2/3 জন সদস্যৰ অনাস্থা আহিলে তেওঁ সম্পূৰ্ণৰূপে হিচাপ-পত্ৰ দাখিল কৰি পদবী এৰি দিব লাগিব।

*কাৰ্যকৰী সভাপতি:

ক) সভাপতিৰ অনুপস্থিতিত সভাপতিৰ দায়িত্ব, কৰ্তব্য আৰু ক্ষমতা লাভ কৰিব।

খ) যিখন জিলাৰ পৰা তেওঁ সদস্য হৈছে সেইখন জিলাৰ সকলো কৰ্মৰ বাবে তেওঁ দায়বদ্ধতা থাকিব।

উপ সভাপতি:

দায়িত্ব, কৰ্তব্য আৰু ক্ষমতা:

ক) সভাপতি আৰু কাৰ্যকৰী সভাপতিৰ অনুপস্থিতিত তেওঁ নিজৰ জিলাৰ মুৰব্বী হিচাবে কাম কৰিব।

যুটীয়া সম্পাদকৰ দায়িত্ব, কৰ্তব্য আৰু ক্ষমতা:

ক) প্ৰতি বছৰে জুলাই মাহত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বা আগতেই সকলো হিচাপ দিব লাগিব । জিলাসমূহৰ পৰা খা-খৰছৰ সম্পূৰ্ণ হিচাব আৰু তথ্য সংগ্ৰহ কৰিব লাগিব।

খ) বছৰত দুবাৰ কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত কৰিব লাগিব।

গ) প্ৰতিবছৰে জুলাই মাহত সাহাৰ্য বিতৰণ আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠান পাতি মৃত্যুহোৱা পৰিয়ালৰ হাতত পুঁজি বিতৰণ কৰি দিয়াৰ বাবে ব্যৱস্থা কৰিব লাগিব।

ঘ) প্ৰতিবছৰে  হিচাপ পৰীক্ষকৰ হাতত বছৰটোৰ হিচাপ নথি-সহ দাখিল কৰিব লাগিব।

৬) প্ৰতিবছৰে 31 জুলাইৰ ভিতৰত বছৰটোৰ সম্পূৰ্ণ হিচাপ দাখিল কৰিব লাগিব।

সহ:সম্পাদকৰ দায়িত্ব আৰু কৰ্তব্য

ক) সভাপতি, কাৰ্যকৰী সভাপতি, উপ সভাপতি, যুটীয়া সম্পাদকৰ অনুপস্থিতিত তেওঁ নিজ জিলাৰ সকলো কৰ্মৰ বাবে মুৰব্বী হিচাপে কাম কৰিব।

খ) নিজৰ জিলাৰ লগতে চুবুৰীয়া জিলাত সদস্যভৰ্তিৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব লাগিব।

বিত্ত সম্পাদক:

ক) জিলা সমূহে প্ৰেৰণ কৰা বিত্তীয় সকলো হিচাপ-নিকাচৰ নথি প্ৰস্তুত আৰু সংৰক্ষণ কৰিব লাগিব।

খ) সকলো হিচাপ সম্পাদকক দাখিল কৰিব লাগিব।

সাংগঠনিক সম্পাদক:

ক) প্ৰতিখন জিলাতে মঞ্চৰ ভেটি সুদৃঢ় কৰিবলৈ প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব।

খ) সাংগঠনিক দিশৰ প্ৰতিটো নথিপত্ৰ প্ৰস্তুত আৰু সংৰক্ষণ কৰিব লাগিব।

প্ৰচাৰ সম্পাদক:

ক) মঞ্চৰ লক্ষ্য, উদ্দেশ্য আৰু কৰ্মৰাজি যাতে সকলোৰে মাজলৈ যায় তাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰি প্ৰচাৰ কৰিব লাগিব।

মুখপাত্ৰ:

মঞ্চৰ কৰ্মৰাজি সকলোৰে মাজলৈ লৈ যাবলৈ প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব লাগিব।

হিচাব নিৰীক্ষকৰ দায়িত্ব আৰু কৰ্তব্য:

তেওঁ জিলা সম্বন্ধয়ক, জিলা তত্বাৱধায়ক, আৰু কেন্দ্ৰীয় সমিতিৰ হিচাব নিৰীক্ষণ কৰিব লাগিব। সকলো তেওঁৰ ওচৰত দায়বদ্ধ।

বিশেষ সূচী:

ক) বছৰৰ সম্পূৰ্ণ হিচাব জুলাই মাহৰ ভিতৰত দাখিল কৰিব লাগিব।

খ) কাৰ্যনিৰ্বাহক সিদ্ধান্ত মৰ্মে জমা পুঁজিৰ সৰ্বাধিক 15% সাংগঠনিক, সাহাৰ্য প্ৰদান আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ বাবে খৰচ কৰিব পাৰিব। ইয়াৰে 3% পৰৱৰ্তী বছৰৰ খৰছৰ বাবে জমা ৰাখিব লাগিব।

গ) সংবিধান উলংঘা কৰিলে মঞ্চৰ বিষয়ববীয়াক কাৰ্যনিৰ্বাহক সভাৰ সংখ্যাগৰিষ্ঠতা ভিত্তিত নিলম্বন কৰিব পাৰিব।

ঘ) 2/3 জন সদস্যৰ সমৰ্থনত সংবিধান সংশোধন কৰিব পাৰিব।

ঙ) মঞ্চৰ দায়িত্বত থকা প্ৰতিজন শিক্ষক প্ৰথমে এই স্বেচ্ছাসেৱী সংগঠনৰ সদস্য ভৰ্তি হব লাগিব। দায়িত্বত থকা কোনো শিক্ষকে সদস্যপদ গ্ৰহণ নকৰিলে তেওঁৰ দায়িত্ব কৰ্তন কৰা হ’ব।

চ) এটা পৰিয়ালক সৰ্বাধিক 5 লাখ টকা সাহাৰ্য হিচাবে প্ৰদান কৰা হ’ব।

ছ) বিশেষ পৰিস্থিতি সাপেক্ষে মূল কাৰ্যনিৰ্বাহকৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত হ'ব।

জমা-পুঁজিৰ খৰছৰ বিৱৰণ:

নতুন সদস্য ভৰ্তি

মুঠ জমা 280 টকা (200 টকা সাহাৰ্য পুঁজি , 30 টকা জিলা সভা সমিতি আৰু কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ অনুষ্ঠান আদিত জিলা প্ৰতিনিধিৰ থা-খৰছৰ বাবে, ,30 টকা কেন্দ্ৰীয় সমিতিৰ সভা সমিতি,যাৱতীয় কাম-কাজ আদি বাবে, 10টকা web,10 টকা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ বাবে)

*সদস্যপদ নৱীকৰণৰ পুঁজি বিৱৰণ:

মুঠ বৰঙণি 240 টকা(200 টকা সাহাৰ্য বৰঙণি, 10 টকা web,10 টকা কেন্দ্ৰীয় সমিতিৰ, 10 টকা জিলা, 10 টকা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ)